**অসম বিধান সভা**
**তৰাবিহীন প্ৰশ্ন নং ঃ ৪৩৬**
**উত্তৰ দানৰ তাৰিখ ঃ ২২/০৭/২০২৬**
**বিভাগ ঃ কৃষি ।**
**বিষয় ঃ  কোল্ড ষ্ট'ৰেজ নিৰ্মাণ**
**বিধায়কৰ নামঃ মোঃ নুৰুল হুদা ঃ**

**মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) উপযুক্ত সংৰক্ষণ অভাৱত আৰু কৃষিজাত শস্য উৎপাদনৰ মূল্য নিম্নগামী হোৱা বাবে কৃষকসকলে লাভজনক মূল্য নোপোৱাৰ বিষয়ে চৰকাৰ অৱগত নে? (বিস্তৃত তথ্যসহ দিব)।

(খ) এই সমস্যাৰ পৰা কৃষকসকলক পৰিত্ৰাণ দিবলৈ চৰকাৰে কি কি পদক্ষেপ গ্ৰহণ কৰিছে? (বিস্তৃত তথ্যসহ দিব)।

(গ) কৃষকসকলৰ উৎপাদিত ফচলৰ লাভজনক মূল্য পোৱাৰ ক্ষেত্ৰত শীতলীকৰণ ভঁৰাল (Cold Storage) সমূহে প্ৰচুৰ পৰিমাণে সহায় কৰাৰ সম্ভাৱনা আছে নে? যদি আছে, অসমত শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে কি ধৰণে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে ? (বিস্তৃত তথ্যসহ দিব)।

(ঘ) কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত বিশিষ্ট ভূমিকা পালন কৰা ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত দুটা শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰে বিবেচনা কৰিব নে? যদি কৰে এই শীতলীকৰণ ভঁৰাল দুটা কিমান দিনৰ ভিতৰত নিৰ্মাণ কৰা হ'ব? (বিস্তৃত তথ্যসহ দিব)।

**মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰীপীযুষ হাজৰিকা দেৱে উত্তৰ দিবঃ**

(ক) সহজতে নষ্ট হোৱা কৃষিজাত শস্য যেনে-শাক-পাচলি, বিলাহী আদিৰ ক্ষেত্ৰত উৎপাদিত সামগ্ৰী চাহিদাতকৈ বেচি হ'লে বিক্ৰী মূল্য নিম্নগামী হয় বাবে কেতিয়াবা কৃষকসকলে উপযুক্ত মূল্য নাপায়।

(খ) এই সমস্যাৰ পৰা কৃষকসকলক পৰিত্ৰাণ দিবলৈ কৃষি বিভাগৰ অধীনত জিলাভিত্তিত HMNEH আঁচনিৰ সৌজন্যত বিশেষজ্ঞ সমল ব্যক্তিৰ দ্বাৰা মূল্য সংযোজনৰ ওপৰত প্ৰশিক্ষণ  দিয়া হয়। ইয়াৰোপৰি ইচ্ছুক কৃষক বা কৃষক গোটে ৫০% ৰাজসাহাৰ্য্যৰে এই আঁচনিৰ অধীনত শীতলীকৰণ ভঁৰাল (Cold Storage), শীতলীকৰণ কক্ষ (Cold Chamber), শীতলীকৃত বাহন (Refrigerated Van) ৰ বাবে আবেদন কৰিব পাৰে ।

তাৰোপৰি ৫০% ৰাজসাহাৰ্য্যৰে সৰু আৰু মজলীয়া উদ্যোগ স্থাপন কৰিবলৈ এই আঁচনিৰ অধীনত কৃষকসকলক উদ্‌গণি যোগোৱা হয় ।

তাৰোপৰি মূল্যমান হ্ৰাস পোৱাৰ বিষয়টোৰ পৰা কৃষকক পৰিত্ৰান দিবলৈ চৰকাৰে নিম্নলিখিত পদক্ষেপ সমূহ গ্ৰহণ কৰিছে-

১) ধান, সৰিয়হ আৰু মাকৈত চৰকাৰে নিম্নতম সমৰ্থন মূল্য ধাৰ্য্য (MSP) কৰিছে। তাৰোপৰি ৰাজ্য চৰকাৰৰ তৰফৰ পৰা প্ৰতি কুইন্টল ধান, সৰিয়হ আৰু মাকৈৰ বিপৰীতে অতিৰিক্ত ৰাজসাহায্য দিয়াৰ ব্যৱস্থা কৰিছে।

২) PM-Kisan আঁচনিৰ জৰিয়তে প্ৰতিজন পঞ্জীভুক্ত কৃষকক বছৰি ৬ হাজাৰ টকা তিনিটা কিস্তিত দিয়াৰ ব্যৱস্থা কৰিছে।

৩) প্ৰতিকূল বতৰৰ বাবে হোৱা শস্যৰ ক্ষয়ক্ষতিৰ পৰা কৃষকক সকাহ দিবলৈ প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত শস্যৰ বীমাকৰণৰ ব্যৱস্থা কৰা হৈছে।

৪) শেহতীয়াভাৱে বনবিভাগৰ জৰিয়তে হাতীয়ে নষ্ট কৰিলে প্ৰতি বিঘা ধানৰ বিপৰীতে ৮ হাজাৰ টকাকৈ দিয়াৰ ব্যৱস্থা কৰা হৈছে।

(গ) কৃষকসকলৰ উৎপাদিত ফচলৰ লাভজনক মূল্য পোৱাৰ ক্ষেত্ৰত শীতলীকৰণ ভঁৰাল (Cold Storage) সমূহে প্ৰচুৰ পৰিমাণে সহায় কৰাৰ সম্ভাৱনা আছে।

উত্তৰ-পূব আৰু হিমালয় পাৰ্বত্য ৰাজ্যসমূহৰ উদ্যানশস্য মিছন (HMNEH) আঁচনিৰ অধীনত ফচলৰ অপচয় ৰোধ কৰিবলৈ আৰু কৃষকৰ লাভ বৃদ্ধি কৰিবলৈ ৫০% ৰাজসাহাৰ্য্যৰ জৰিয়তে শীতলীকৰণ ভঁৰাল (Cold Storage), শীতলীকৰণ কক্ষ (Cold Chamber), শীতলীকৃত বাহন (Refrigerated Van) যোগানৰ ব্যৱস্থা আছে। এই আঁচনিৰ অধীনত, কেঁচা আৰু সোনকালে নষ্ট হৈ যোৱা শস্যসমূহক বজাৰৰ উপযোগী সামগ্ৰীলৈ ৰূপান্তৰ কৰিবলৈ মূল্য সংযোজন (Value Addition) আৰু সংসাধনৰ (Processing) ওপৰত গুৰুত্ব দিয়া হয়। ৰাজ্যৰ যিকোনো ইচ্ছুক কৃষক বা কৃষি উৎপাদক গোটে জিলা কৃষি বিষয়াৰ জৰিয়তে উপৰত উল্লেখ কৰা আঁচনিবোৰৰ বাবে আবেদন কৰিব পাৰে ।

(ঘ) কৃষিজাত সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত বিশিষ্ট  ভূমিকা পালন কৰা ৰূপহীহাট বিধানসভা সমষ্টিৰ অন্তৰ্গত এলেকাত শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ ক্ষেত্ৰত যদিহে ব্যক্তিগত খণ্ডত আবেদন পোৱা যায় চৰকাৰে বিবেচনা কৰিব ।

শীতলীকৰণ ভঁৰাল নিৰ্মাণৰ বাবে যিকোনো ইচ্ছুক কৃষক বা কৃষি উৎপাদক গোটে জিলা কৃষি বিষয়াৰ জৰিয়তে শীতলীকৰণ ভঁৰাল স্থাপনৰ বাবে আবেদন দাখিল কৰিব পাৰে। কৃষি বিভাগ, অসমৰ অধীনত উত্তৰ পূৱ আৰু হিমালয়ৰ পাদদেশৰ ৰাজ্যসমূহৰ বাবে উদ্যান শস্য অভিযান (HMNEH) আঁচনিৰ অধীনত ইচ্ছুক কৃষকে ৫০% ৰাজসাহায্যত শীতলীকৰণ ভঁৰাল লাভ কৰিব পাৰে।

***********